# কন্যা মহাবিদ্যালয়

## ছাত্ৰী একতা সভাৰ সংবিধান

### অনুচ্ছেদ — ১

ক) নাম ঃ কন্যা মহাবিদ্যালয় ছাত্ৰী একতা সভা

খ) ঠিকনা ঃ কন্যা মহাবিদ্যালয়, ডাকঘৰ ঃ বামুণীমৈদাম
জিলা— কামৰূপ মহানগৰ (অসম) পিন — ৭৮১০২১

গ) ভাষা ঃ কন্যা মহাবিদ্যালয় ছাত্ৰী একতা সভাৰ লিখিত আৰু কথিত ভাষা অসমীয়া বা ইংৰাজী হ'ব।

### অনুচ্ছেদ — ২

**উদ্দেশ্য ঃ**

ক) ছাত্ৰীসকলৰ শাৰীৰিক, মানসিক, শৈক্ষিক, বৌদ্ধিক, নৈতিক, আধ্যাত্মিক আৰু সাংস্কৃতিক দিশৰ উন্নতি সাধন কৰা।

খ) ছাত্ৰীসকলক ৰাষ্ট্ৰৰ সুনাগৰিক হিচাপে গঢ় দিয়াৰ উদ্দেশ্যে তেওঁলোকক সৎ চৰিত্ৰবান ও দেশপ্ৰেমিক, ত্যাগী আৰু কষ্ট সহিষ্ণু হ'বলৈ উৎসাহ দিয়া।

গ) আমাৰ সমাজত পূৰ্বৰে পৰা প্ৰচলিত কু সংস্কাৰ আৰু অন্ধবিশ্বাসসমূহ দূৰ কৰি সুস্থ আৰু পৰিচ্ছন্ন সমাজ ব্যৱস্থা গঢ়ি তোলাৰ উদ্দেশ্যে ভৱিষ্যতৰ নাগৰিক ছাত্ৰীসকলক আগ্ৰহী কৰা ।

ঘ) ছাত্ৰীসকলৰ মাজত বন্ধুত্ব আৰু পাৰস্পৰিক বুজাপৰা বৃদ্ধি কৰাৰ লগতে তেওঁলোকক সামাজিক নেতৃত্ব, সহযোগিতা, শৃংখলাদ্ধতা আৰু নিয়মানুবৰ্তিতাৰ শিক্ষা দিয়া।

ঙ) সাহিত্য, সংগীত, কলা-সংস্কৃতি চৰ্চ্চাৰ জৰিয়তে তেওঁলোকক জাতীয় সংহতি সুদৃঢ় কৰিবলৈ অনুপ্ৰেৰণা দিয়া।

চ) শ্ৰমৰ মৰ্য্যাদা আৰু গুৰুত্বৰ বিষয়ে শিক্ষা দিয়াৰ লগতে ছাত্ৰীসকলক সমাজ সেৱাৰ প্ৰতি অনুপ্ৰাণিত কৰা।

ছ) সভা-সমিতি অনুষ্ঠিত কৰি নেতৃত্বৰ জ্ঞান আহৰণ কৰাৰ লগতে শৈক্ষিক আৰু সাংস্কৃতিক দিশৰ বিভিন্ন বিষয়ৰ ওপৰত প্ৰতিযোগিতা, আলোচনা

চক্ৰ আৰু প্ৰদৰ্শনী আদিৰ ব্যৱস্থা কৰা।

জ) ছাত্ৰীসকলৰ শাৰীৰিক উৎকৰ্ষ সাধনৰ কাৰণে বিভিন্ন ক্ৰীড়াৰ অনুশীলন আৰু প্ৰতিযোগিতা আয়োজন কৰা।

ঝ) বিশ্ববিদ্যালয়ৰ অধীনত অনুষ্ঠিত হোৱা আন্তঃ মহাবিদ্যালয় মহোৎসৱত যোগদান কৰাৰ লগতে এই মহাবিদ্যালয়তো তেনে মহোৎসৱ অনুষ্ঠিত কৰিবলৈ প্ৰচেষ্টা চলোৱা।

ঞ) প্ৰয়োজন সাপেক্ষে কোনো বিশেষ স্থান বা ছাত্ৰীৰ কল্যাণমূলক অনুষ্ঠানলৈ মহাবিদ্যালয়ৰ পৰা প্ৰতিনিধি আৰু সঁজাতী দল পঠোৱাৰ ব্যৱস্থা কৰা।

ট) মহাবিদ্যালয়ৰ ছাত্ৰীসকলক দলীয় ৰাজনীতিৰ পৰা মুক্ত ৰাখি শিক্ষানুষ্ঠানটিৰ সুস্থ পৰিৱেশ আৰু পবিত্ৰতা অক্ষুণ্ণ ৰখা।

ঠ) ৰেগিং মুক্ত এক সুস্থ শৈক্ষিক বাতাবৰণ সৃষ্টি কৰা।

ড) মহাবিদ্যালয়ত এক প্ৰাকৃতিক পৰিৱেশ সৃষ্টি কৰা আৰু মহাবিদ্যালয় চৌহদ পৰিষ্কাৰ-পৰিছন্ন কৰি ৰখাত কৰ্তৃপক্ষক সহায় কৰা।

## অনুচ্ছেদ—৩

**গঠন মুখ্য উপদেষ্টা ঃ** মহাবিদ্যালয় অধ্যক্ষ ছাত্ৰী একতা সভাৰ মুখ্য উপদেষ্টা হ'ব।

**উপদেষ্টা ঃ** সকলো শিক্ষক-শিক্ষয়িত্ৰী ছাত্ৰী একতা সভাৰ উপদেষ্টা হ'ব।

**সদস্য ঃ** মহাবিদ্যালয়ৰ সকলো ছাত্ৰী একতা সভাৰ সাধাৰণ সদস্য হ'ব।

কোনো ছাত্ৰীয়ে ছাত্ৰী একতা সভাৰ সংবিধান উলংঘন কৰিলে বা মহাবিদ্যালয়ৰ নীতিনিয়ম ভঙ্গ কৰিলে অধ্যক্ষই তেনে ছাত্ৰীৰ সদস্য পদ বাতিল কৰিব পাৰিব। মহাবিদ্যালয়ৰ পৰা বহিষ্কাৰ হ'লেও সদস্যৰ পদ বাতিল হ'ব।

**নিৰ্বাচিত বিষয়ববীয়া ঃ**

| | |
|---|---|
| ১. সভাপতি | ২. উপ-সভাপতি |
| ৩. সাধাৰণ সম্পাদক | ৪. সহকাৰী সাধাৰণ সম্পাদক |
| ৫. গুৰু ক্ৰীড়া সম্পাদক | ৬. লঘু ক্ৰীড়া সম্পাদক |
| ৭. সাংস্কৃতিক সম্পাদক | ৮. তৰ্ক সম্পাদক |
| ৯. সমাজ সেৱা সম্পাদক | ১০. আলোচনী সম্পাদক |
| ১১. ছাত্ৰী জিৰণি কোঠা সম্পাদিকা | ১২. শ্ৰেণী প্ৰতিনিধি- প্ৰতি শ্ৰেণীৰ এজন |
| ১৩. প্ৰাচীৰ পত্ৰিকা সম্পাদক | |



## অনুচ্ছেদ — ৪

**দায়িত্ব**

**সভাপতি ঃ**

সভাপতিয়ে কাৰ্যকৰী সভা পৰিচালনা কৰিব আৰু সাধাৰণ সম্পাদক তথা অন্য সম্পাদক সকলক পৰামৰ্শ দিব।

### উপ-সভাপতি ঃ

সভাপতিৰ অনুপস্থিতিত উপ-সভাপতিয়ে সভাপতিৰ সকলো দায়িত্ব পালন কৰিব। সাধাৰণ সম্পাদক

সাধাৰণ সম্পাদকে বিভাগীয় সম্পাদকসকলক যাৱতীয় দিহা-পৰামৰ্শ দিব। বিভিন্ন বিভাগৰ মাজত সমন্বয় ৰক্ষা কৰাৰ লগতে তেওঁলোকৰ কাম-কাজৰো তদাৰক কৰিব।

■ বিভাগীয় কোনো সম্পাদকৰ অনুপস্থিতিত সাময়িকভাৱে সেই বিভাগৰ দায়িত্ব পালন কৰিব।

■ সাধাৰণ সভা, কাৰ্য-পৰিচালনা সভা আৰু অন্যান্য প্ৰয়োজনীয় সভা আহ্বান কৰিব।

■ আঞ্চলিক, জিলা বা ৰাজ্যিক পৰ্য্যায়ৰ ছাত্ৰ সমাজৰ অনুষ্ঠানসমূহত মহাবিদ্যালয়ক প্ৰতিনিধিত্ব কৰিব।

■ কাৰ্য-বিৱৰণীকে ধৰি অন্যান্য নথি-পত্ৰ আৰু জমা খৰছৰ হিচাপ সযতনে ৰাখিব।

### সহকাৰী সাধাৰণ সম্পাদকঃ

সাধাৰণ সম্পাদকক সকলো ক্ষেত্ৰতে সহায় কৰিব আৰু সাধাৰণ সম্পাদকৰ অনুপস্থিতিত তেওঁৰ দায়িত্ব বহন কৰিব।

### বিভাগীয় সম্পাদক ঃ

ক) বিভাগীয় সম্পাদকসকলে নিজ নিজ বিভাগৰ দায়িত্ব পালন কৰিব আৰু যাৱতীয় নথিপত্ৰসমূহ সযতনে ৰাখিব।

খ) বিভাগীয় সম্পাদকসকলে নিজ নিজ বিভাগৰ বাবে বছৰেকীয়া বাজেট প্ৰস্তুত কৰোতে বিভাগীয় উপদেষ্টাৰ লগত আলোচনা কৰি উপদেষ্টাৰ সন্মতি সূচক স্বাক্ষৰেৰে সেই বাজেট কাৰ্য্যকৰী সভাত উত্থাপন কৰিব।

গ) নিজ নিজ বিভাগত হোৱা খৰছ আৰু খৰছৰ হিচাপৰ বাবে বিভাগীয় সম্পাদকসকল সম্পূৰ্ণ দায়বদ্ধ থাকিব।

ঘ) বিভাগীয় সম্পাদকে কৰা সকলো খৰছৰ কাৰণে নিজ নিজ উপদেষ্টাৰ আৰু কৰ্তৃপক্ষৰ ওচৰত জবাবদিহি আৰু দায়ী থাকিব লাগিব অন্যথা কৰ্তৃপক্ষই তেওঁৰ ওপৰত শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিব।

### শ্ৰেণী প্ৰতিনিধি ঃ

শ্ৰেণী প্ৰতিনিধিসকলক শ্ৰেণীৰ ছাত্ৰীয়ে বাছনি কৰিব। তেওঁলোকে নিজ নিজ শ্ৰেণীক প্ৰতিনিধিত্ব কৰিব।

## অনুচ্ছেদ — ৫

### সাধাৰণ সভা ঃ

মহাবিদ্যালয় অধ্যক্ষ, অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰীৰে গঠিত হ'ব। মহাবিদ্যালয়ৰ অধ্যক্ষই এই সভা আহ্বান কৰিব পাৰিব আৰু এনে সভাত সভাপতিত্ব কৰিব

### কাৰ্যকৰী সভা ঃ

নিৰ্বাচিত সভাপতি, উপ-সভাপতি, সাধাৰণ সম্পাদক, বিভাগীয় সম্পাদক সকল আৰু শ্ৰেণী প্ৰতিনিধিৰে কাৰ্যকৰী সমিতি গঠিত হ'ব। সাধাৰণ সম্পাদকে অধ্যক্ষৰ লিখিত অনুমতি সাপেক্ষে কাৰ্যকৰী সভা আহ্বান কৰিব পাৰিব। সভাপতি বা তেওঁৰ অনুপস্থিতিত উপ-সভাপতিয়ে কাৰ্যকৰী সভা পৰিচালনা কৰিব।

কাৰ্যকৰী সভা এদিনৰ আগতীয়া জাননীত অনুষ্ঠিত কৰিব পাৰিব। প্ৰয়োজন সাপেক্ষে জৰুৰী কাৰ্যকৰী সভা ৩ ঘন্টাৰ জাননীত আহ্বান কৰিব পাৰিব। যিকোনো সভা আহ্বান কৰিবলৈ অধ্যক্ষৰ লিখিত অনুমোদন অপৰিহাৰ্য। অনুমোদন অবিহনে সভা আহ্বান কৰিলে তেনে সভা বৈধ নহ'ব আৰু তেনে কৰা সম্পাদক বা সদস্যৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিব পাৰিব।

একতা সভাৰ কাৰ্যকালতপঁন্যতম তিনিখন কাৰ্যকৰী সভা হোৱাটো বাঞ্ছনীয়।

সংবিধানত নিৰ্দ্ধাৰিত ছাত্ৰী একতা সভাৰ সকলো কাৰ্য সম্পাদনা কৰাৰ ক্ষমতা আৰু দায়িত্ব কাৰ্য পৰিচালনা সভাৰ হাতত থাকিব।

সভাপতিৰ লগত আলোচনাক্ৰমে সাধাৰণ সম্পাদকে কাৰ্যকৰী সভা অনুষ্ঠিত কৰাৰ দিন আৰু কাৰ্যসূচী ঠিক কৰি সভা অনুষ্ঠিত হোৱাৰ অন্ততঃ এদিনৰ আগত



জাননী জাৰি কৰিব।

প্ৰয়োজন সাপেক্ষে সাধাৰণ সম্পাদকে অধ্যক্ষৰ সন্মতিক্ৰমে তিনি ঘন্টাৰ জাননীতো কাৰ্য পৰিচালনা সভা আহ্বান কৰিব পাৰিব।

কাৰ্যকৰী সভাৰ কোনো সদস্যৰ পদ খালী হ'লে সভাই সাধাৰণ সভাৰ সদস্যৰ দ্বাৰা সেই পদ পূৰণ কৰিব। এই ক্ষেত্ৰত অধ্যক্ষৰ সিদ্ধান্তই চূড়ান্ত সিদ্ধান্ত হ'ব।

বিভাগীয় সম্পাদক সকলৰ মাজত সমন্বয়ৰ অভাৱ ঘটিলে অথবা কোনো বিবাদৰ সৃষ্টি হ'লে কাৰ্যকৰী সভাই তাৰ মীমাংসা কৰিব।

সভাপতি আৰু উপ-সভাপতিকে ধৰি দুই-তৃতীয়াংশ সদস্যৰে কাৰ্য পৰিচালনা সভাৰ থূল হ'ব।

## অনুচ্ছেদ— ৬

### সাধাৰণ নিৰ্বাচন ঃ

ক) প্ৰতি শিক্ষাবৰ্ষ আৰম্ভ হোৱাৰ দুমাহৰ ভিতৰত একতা সভাৰ সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হ'ব।

খ) নিৰ্বাচন পৰিচালনাৰ বাবে অধ্যক্ষই অধ্যাপকৰ মাজৰ পৰা এজন মুখ্য নিৰ্বাচনী বিষয়া আৰু তিনিজন সহকাৰী নিৰ্বাচনী বিষয়াৰ এখন নিৰ্বাচন পৰিচালনা সমিতি গঠন কৰিব। পূৰ্ববৰ্ষৰ মুখ্য নিৰ্বাচনী বিষয়াজন পৰৱৰ্তী বৰ্ষৰ পদেন সদস্য হৈ থাকিব। নিৰ্বাচন পৰিচালনা সমিতিয়ে নিৰ্বাচন পৰিচালনাৰ সকলো দায়িত্ব পালন কৰিব।

গ) অধ্যক্ষই নিৰ্বাচন অনুষ্ঠিতকৰণৰ জাননী নিৰ্বাচন অনুষ্ঠিত হোৱা দিনৰে পৰা কমেও ১৫ (পোন্ধৰ) দিন আগতে জাৰি কৰিব।

ঘ) সমস্ত নিৰ্বাচনী প্ৰক্ৰিয়া ১০ (দহ) কৰ্ম দিনৰ ভিতৰত সম্পন্ন হ'ব লাগিব ।

ঙ) একতা সভাৰ বিষয়ববীয়াসকলক সাধাৰণ সদস্য সকলে অহস্তান্তৰ যোগ্য গোপন ভোটৰ দ্বাৰা নিৰ্বাচিত কৰিব।

চ) নিৰ্বাচন পৰিচালনা কৰাৰ ক্ষেত্ৰত হোৱা সমুদায় জমা খৰছৰ হিচাপ মুখ্য নিৰ্বাচনী বিষয়াই নিৰ্বাচন অনুষ্ঠিত হোৱা দিনৰ পৰা এমাহৰ ভিতৰত অধ্যক্ষৰ ওচৰত দাখিল কৰিব লাগিব।

ছ) নিৰ্বাচন পৰিচালনাৰ বাবে হোৱা খৰছ ছাত্ৰী একতা সভাৰ পুঁজিৰ পৰা

বহন কৰা হ'ব আৰু ৰাহি হোৱা ধন একতা সভাৰ পুঁজিত জমা হ'ব।

জ) নিৰ্বাচনৰ ফলাফল সংক্ৰান্তত কোনো প্ৰাৰ্থীৰ ওজৰ-আপত্তি থাকিলে নিৰ্বাচনৰ ফলাফল ঘোষণা কৰাৰ ৩ (তিনি)ঘণ্টাৰ ভিতৰত তেনে প্ৰাৰ্থীয়ে ১০০০.০০ (এক হাজাৰ) টকা আমানত ধন জমা দি ব্যক্তিগতভাৱে মুখ্য নিৰ্বাচনী বিষয়াৰ ওচৰত লিখিত আবেদন জমা দিব পাৰিব।

ঝ) ৫ (পাঁচ) টাতকৈ অধিক ভোটৰ ব্যৱধান থকা ফলাফলৰ বাবে পুনৰ ভোট গণনাৰ আবেদন গ্ৰহণ কৰা নহ'ব।

ঞ) নিৰ্বাচনৰ প্ৰাৰ্থীৰ বাদে আন কাৰো আবেদন গ্ৰহণ কৰা নহ'ব।

ট) নিৰ্বাচন সম্পৰ্কীয় সকলো গোচৰ মীমাংসাৰ ক্ষেত্ৰত নিৰ্বাচন পৰিচালনা সমিতিৰ সিদ্ধান্তই চূড়ান্ত সিদ্ধান্ত হ'ব।

ঠ) নিৰ্বাচন বা নিৰ্বাচনৰ ফলাফলৰ ক্ষেত্ৰত কোনো ছাত্ৰীয়ে অযথা বেমেজালীৰ সৃষ্টি কৰিলে মুখ্য নিৰ্বাচনী বিষয়াই অনুশাসনমূলক ব্যৱস্থা গ্ৰহণৰ বাবে অধ্যক্ষলৈ চুপাৰিশ কৰিব পাৰিব আৰু অধ্যক্ষই উচিত বিবেচনা কৰিলে শাস্তি প্ৰদান কৰিব পাৰিব।

## প্ৰাৰ্থী ঃ

ছাত্ৰী একতা সভাৰ সাধাৰণ নিৰ্বাচনত তলৰ বিধি আৰু চৰ্তসমূহ মানি চলা ছাত্ৰীয়েহে প্ৰাৰ্থী হ'ব পাৰিব।

ক) প্ৰাৰ্থীজন মহাবিদ্যালয়ৰ নিয়মীয়া পাঠ্যক্ৰমৰ নিয়মীয়া ছাত্ৰী হ'ব লাগিব।

খ) শ্ৰেণীত উপস্থিতি ৭৫% বা বেছি হ'ব লাগিব।

গ) কোনো পৰীক্ষাত Back বা Arrear থাকিব নালাগিব।

ঘ) মুখ্য নিৰ্বাচন বিষয়াই নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ তাৰিখত প্ৰাৰ্থীৰ বয়স পঁন্যতম ১৬ বছৰ, সৰ্বোচ্চ স্নাতকৰ বাবে ২২ বছৰ হ'ব লাগিব।

ঙ) প্ৰাৰ্থী পূৰ্বৰ কোনো অপৰাধজনিত কাৰ্য/ঘটনাত জড়িত (criminal record) থকা হ'ব নালাগিব।

চ) মহাবিদ্যালয়ৰ বা আন শিক্ষানুষ্ঠানৰ পৰা পূৰ্বে বহিস্কৃত হ'ব নালাগিব।

ছ) সভাপতি পদৰ বাবে স্নাতক ৫ম যান্মাষিক শ্ৰেণীৰ ছাত্ৰীয়ে প্ৰাৰ্থীত্ব আগবঢ়াব পাৰিব আৰু অন্য পদসমূহৰ বাবে স্নাতক ১ম আৰু ৩য় ছাত্ৰীয়ে প্ৰাৰ্থীত্ব আগবঢ়াব পাৰিব।



## নিৰ্বাচনৰ নিয়মাৱলী ঃ

ক) প্ৰতিখন মনোনয়ন পত্ৰৰ মূল্য, প্ৰাৰ্থীত্ব মাচুল, আমানত ধন নিৰ্বাচন পৰিচালনা সমিতিয়ে অধ্যক্ষৰ অনুমোদনক্ৰমে নিৰ্ধাৰণ কৰিব।

খ) এজন প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিলৰ বাবে নিৰ্ধাৰিত মাচুল মুখ্য নিৰ্বাচনী বিষয়াক জমা দি মনোনয়ন পত্ৰ দাখিল কৰিব পাৰিব।

গ) নিৰ্বাচনী বিষয়াৰ হাতত মনোনয়ন পত্ৰ জমা দিয়াৰ সময়ত প্ৰাৰ্থী, প্ৰাৰ্থীৰ প্ৰস্তাৱক আৰু সমৰ্থকে পৰিচয়-পত্ৰ আৰু নিৰ্ধাৰিত সময়লৈ মাচুল জমা দিয়াৰ ৰচিদ দেখুৱাই পূৰ কৰা মনোনয়ন পত্ৰত স্বাক্ষৰ কৰিব লাগিব।

ঘ) অতিশয় গুৰুত্বপূৰ্ণ কাৰণত কোনো প্ৰাৰ্থী, প্ৰাৰ্থীৰ প্ৰস্তাৱক আৰু সমৰ্থক মনোনয়ন পত্ৰ পৰীক্ষা কৰাৰ সময়ত উপস্থিত থাকিব নোৱাৰিলে নিৰ্বাচনী বিষয়াক লিখিতভাৱে আগতীয়াকৈ জনাব। অনুপস্থিতিৰ কাৰণৰ গুৰুত্ব বিচাৰ কৰি নিৰ্বাচন পৰিচালনা সমিতিয়ে তেনে প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ গ্ৰহণ বা নাকচৰ সিদ্ধান্ত ল'ব।

ঙ) মনোনয়ন পত্ৰ নাকচ হোৱা প্ৰাৰ্থীসকলে আমানত মাচুল ঘূৰাই নাপাব।

চ) প্ৰতিটো পদৰ বিজয়ী প্ৰাৰ্থীয়ে লাভ কৰা ভোটৰ এক তৃতীয়াংশতকৈ কম ভোট পোৱা একে পদৰ প্ৰাৰ্থী সকলৰ আমানতৰ ধন বাজেয়াপ্ত হ'ব।

ছ) মহাবিদ্যালয় চৌহদত নিৰ্বাচনী প্ৰচাৰৰ বাবে কোনো 'বেনাৰ' বা 'পোষ্টাৰ' আঁৰিব নোৱাৰিব।

জ) নিৰ্বাচনী বিষয়াৰ অনুমোদন অবিহনে কোনো প্ৰাৰ্থীয়ে নিৰ্বাচনী প্ৰচাৰৰ বাবে কোনো ধৰণৰ প্ৰচাৰ পত্ৰ বিতৰণ কৰিব নোৱাৰিব।

ঝ) প্ৰতিজন প্ৰাৰ্থীয়ে হাতে লিখা প্ৰচাৰ পত্ৰৰ একোটা কপি বিতৰণৰ পূৰ্বে নিৰ্বাচনী বিষয়াৰ হাতত দিব লাগিব আৰু অনুমোদন ল'ব লাগিব। প্ৰাৰ্থীয়ে কোনো ধৰণৰ ছপা প্ৰচাৰ পত্ৰ ব্যৱহাৰ কৰিব নোৱাৰিব।

ঞ) পাঠদান চলি থকা অৱস্থাত শ্ৰেণীত নিৰ্বাচনী প্ৰচাৰ চলাব নোৱাৰিব। তাৰ পৰিৱৰ্তে নিৰ্বাচন পৰিচালনা সমিতিয়ে সেই উদ্দেশ্যে আয়োজন কৰা এখন সাধাৰণ সভাত প্ৰাৰ্থীসকলে "মই কিয় একতা সভাৰ সাধাৰণ নিৰ্বাচনত অংশ গ্ৰহণ কৰিছোঁ"— বিষয়টিৰ ওপৰত তিনি মিনিট কৈ

বক্তৃতা দিয়াৰ উপৰিও ছাত্ৰীয়ে সোধা নিৰ্বাচন সম্পৰ্কীয় প্ৰশ্নৰ উত্তৰ দিব।

ট) নিৰ্বাচনী সমিতিয়ে মঞ্চ প্ৰচাৰ নীতি-নিয়ম নিৰ্ধাৰণ কৰিব।

ঠ) কোনো প্ৰাৰ্থীয়ে ৫০০০.০০ (পাঁচ হাজাৰ) টকাৰ বেছি নিৰ্বাচনী ব্যয় কৰিব নোৱাৰিব।

ড) নিৰ্বাচন সংক্ৰান্তীয় যিকোনো ওজৰ আপত্তি নিষ্পত্তি কৰিবলৈ এটি অভিযোগ নিষ্পত্তি কোষ থাকিব। অধ্যক্ষৰ নেতৃত্বত গঠিত তেনে কোষত অধ্যক্ষৰ দ্বাৰা মনোনীত দুজন জ্যেষ্ঠ অধ্যাপক আৰু এজনী নিৰপেক্ষ ছাত্ৰী থাকিব।

ণ) যিকোনো অভিযোগ প্ৰতি অভিযোগ নিষ্পত্তিৰ ক্ষেত্ৰত অধ্যক্ষৰ সিদ্ধান্তই চূড়ান্ত হ'ব।

## অনুচ্ছেদ — ৭

### পুঁজি

ক) সংবিধানৰ ৩ (ক) অনুচ্ছেদত উল্লেখ কৰা ছাত্ৰী একতা সভাৰ সদস্যসকলৰ পৰা সংগৃহীত বৰঙণিৰে একতা সভাৰ মূল পুঁজি গঠন হ'ব।

খ) সাধাৰণ সম্পাদক আৰু বিভাগীয় সম্পাদক সকলে খৰছ কৰিবৰ কাৰণে অধ্যক্ষৰ তত্ত্বাৱধানত পৃথক পৃথকভাৱে প্ৰতি বিভাগৰ একোটাকৈ পুঁজি থাকিব।

গ) কোনো ব্যক্তি বা অনুষ্ঠানে আগবঢ়োৱা দান, বৰঙণি, অনুদান অধ্যক্ষৰ অনুমোদন সাপেক্ষে গ্ৰহণ কৰিব।

## অনুচ্ছেদ —৮

### সংবিধানৰ সংশোধন ঃ

সংবিধানৰ কোনো অনুচ্ছেদ, অংশবিশেষ অথবা সম্পূৰ্ণ সংশোধনীৰ প্ৰয়োজন হ'লে কাৰ্য্য পৰিচালনা সভাৰ নিৰ্বাচিত বিষয়ববীয়া অথবা ৫০ জন সাধাৰণ সদস্যই উক্ত বিষয়ে ছাত্ৰী একতা সভাৰ সভাপতি/সম্পাদকলৈ লিখিত আবেদন জনাব। সভাপতি !সম্পাদকে এই আবেদনৰ ভিত্তিত বিষয়টো অধ্যক্ষক লিখিতভাৱে অৱগত কৰিব। অধ্যক্ষই দুগৰাকী শিক্ষকক মনোনীত কৰি সভাৰ সিদ্ধান্তক্ৰমে সভাই মনোনীত কৰা দুগৰাকী উপদেষ্টা শিক্ষকক সংবিধানৰ কোনো অনুচ্ছেদ, অংশ বিশেষ অথবা সম্পূৰ্ণ সংশোধনৰ দায়িত্ব অৰ্পণ কৰিব।

বা

ন্যায়ালয় বা চৰকাৰৰ সিদ্ধান্তমৰ্মে বা অপৰিহাৰ্য পৰিস্থিতিত অধ্যক্ষই সংবিধানৰ কোনো দফা বা সংবিধান সংশোধন কৰিব পাৰিব। পৰৱৰ্ত্তী ছাত্ৰী একতা সভাৰ সাধাৰণ সভাত তাৰ অনুমোদন ল'ব।

## অনুচ্ছেদ — ৯

সাধাৰণ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি বা বিনা প্ৰতিদ্বন্দ্বিতাৰে বিজয়ী হোৱা সদস্যসকলে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পূৰ্বে কাৰ্যভাৰ গ্ৰহণৰ শপত অধ্যক্ষই পাঠ কৰোৱাব।

## অনুচ্ছেদ — ১০

ছাত্ৰী একতা সভাই সংবিধান বিৰোধী কাম কৰিলে অধ্যক্ষই ছাত্ৰী একতা সভা ভঙ্গ কৰিব পাৰিব। তেনে ক্ষেত্ৰত পৰৱৰ্ত্তী নিৰ্বাচন নোহোৱা পৰ্যন্ত ছাত্ৰী একতা সভাৰ সকলো কাম-কাজ অধ্যক্ষৰ দ্বাৰা মনোনীত প্ৰতিনিধিৰে সম্পন্ন হ'ব।

সাধাৰণ সভাত গৃহীত
**শ্ৰীমতী মঞ্জু শইকীয়া**
(ভাৰপ্ৰাপ্ত অধ্যক্ষ)
কন্যা মহাবিদ্যালয় ছাত্ৰী একতা সভা

সংবিধান প্ৰস্তুত কাৰক
**শ্ৰী নজৰুল ইছলাম**
(সহকাৰী অধ্যাপক)
**মৃদুস্মিতা ভূঞা**
(সহকাৰী অধ্যাপক)
কন্যা মহাবিদ্যালয়

**স্বাক্ষৰ ঃ**
**মঞ্জু শইকীয়া**
ভাৰপ্ৰাপ্ত অধ্যক্ষ
কন্যা মহাবিদ্যালয়

# KANYA MAHAVIDYALAYA

# CONSTITUTION OF THE STUDENTS' UNION

**ARTICLE -1**

(a) Name – Kanya Mahavidyalaya Students' Union
(b) Address- Kanya Mahavidyalaya
P.O.- Bamunimaidam
Dist.- Kamrup Metro, Assam, PIN-781021
(c) Language- The spoken and written language of Kanya Mahavidyalaya Students' Union is Assamese or English.

**ARTICLE-2**

**Objectives:**

(a) To develop the physical, mental, educational, intellectual, moral, spiritual and cultural aspects of the students
(b) To mould the students as good citizen, they will be inspired to become the people of good moral character and patriotic, selfless and hardworking
(c) To create a clean and healthy environment by eradicating age old superstitions prevailing in the society, the students, who are the future citizens, will be made enthusiastic
(d) To educate the students inincreasing friendship and mutual understanding among them as well as to teach them discipline, social leadership, co-operation and punctuality
(e) To inspire the students in making a strong national integration through the practice of literature, music, art and culture.
(f) To educate the students about the significance and dignity of labour along with making them aware of the social service
(g) To acquire the leadership quality by organizing meetings, competitions, seminars and exhibitions on various literary and cultural fields



(h) To maintain the physical fitness of the students by organizing various games and sports
(i) To participate in Inter-college Youth Festival of the university as well as to organize such activities in the college
(j) To send student representative or group of students to some special welfare programmes, if necessary.
(k) To keep the students away from party politics in order to maintain a healthy environment in the institution.
(l) To create a ragging free, healthy educational environment (m) To help the authority in creating a natural environment and keeping the college surrounding neat and clean

**ARTICLE-3**

**<u>COMPOSITION</u>**

**Chief Adviser :** The Principal of the college will be the chief adviser of the students' union.
**Adviser :** All the teachers will be the advisers of the students' union.
**Member :** All the students of the college will be the general members of the students' union.

In case a student violates the constitution of the students' union or rules and regulations of the college, the principal can cancel her membership. If a student is expelled from the college her membership will also be automatically cancelled.

**Elected Portfolios :**

1. PRESIDENT
2. VICE-PRESIDENT
3. GENERAL SECRETARY
4. ASISSTANT GENERAL SECRETARY
5. SPORTS SECRETARY (MAJOR)
6. SPORTS SECRETARY (MINOR)
7. CULTURAL SECRETARY
8. DEBATING SECRETARY
9. SOCIAL SERVICE SECRETARY

10. MAGAZINE SECRETARY
11. GIRLS' COMMON SECRETARY
12. WALL MAGAZINE SECRETARY
13. CLASS REPRESENTATIVES (ONE FOR EACH CLASS)

**ARTICLE-4**

**RESPONSIBILITIES**

**PRESIDENT :**

The President will preside over the executive meeting and advise the General Secretary and other secretaries.

**VICE-PRESIDENT:**

The Vice-President will take all the responsibilities in absence of the President.

**GENERAL SECRETARY :**

- The General Secretary will consult and advise all other secretaries in every aspect. She will also maintain coordination among all the departments and supervise their activities.
- In absence of the secretary of any department, she will temporarily take the responsibility of the respective department.
- General meeting, executive meeting and other necessary meetings will be organized by the general secretary.
- The general secretary will represent the college in district, state or regional level programmes organized by the student community.
- The proceedings and other documents along with the financial ones will be carefully maintained by the general secretary.

**ASSISTANT GENERAL SECRETARY:**

She will help the general secretary in all aspects and also take responsibility of general secretary in her absence.



**DEPARTMENTAL SECRETARIES:**

(a) The departmental secretaries will take the responsibilities of their respective departments and keep the necessary documents carefully.

(b) The departmental secretaries will submit their annual budgets in the executive meeting after the discussion and consent of their respective advisers.

(c) They will be responsible for their departmental expenditure and audit.

(d) Departmental secretaries will be answerable to their respective advisers and the authority for all their expenditure. Otherwise, the authority may take strict action against them.

**CLASS REPRESENTATIVES:**

The class representatives will be selected by the students of the respective classes. They will represent their own class.

**ARTICLE 5:**

**GENERAL MEETING**

The Principal, all the teachers and the students will constitute the general meeting. The principal will organize and preside over such meetings.

**EXECUTIVE MEETING :**

The executive committee will be constituted by the elected president, vice-president, general secretary, other departmental secretaries and the class representatives. The general secretary can organize the executive meeting only with the written consent of the principal. The president or the vice-president (in absence of the president) will preside over the executive meeting.

At least one day prior notice is required to organize the executive meeting. In case of emergency an executive meeting can also be organized with the prior notice of three hours. Written consent of the principal is indispensable to organize any meeting of the students' union. The meeting organized without the consent of the principal will be invalid and strict disciplinary action will be taken against the secretary or the members who organize such meetings.

Minimum of three executive meetings are required during the tenure of the union body.

- The power and responsibilities to perform all the activities of students' union body mentioned in the constitution will be in the hands of the executive committee.
- After consultation with the president, the date and agenda of the executive meeting will be notified by the general secretarybefore one day.
- The general secretary can organize an executive meeting with the consent of the principal with a prior notice of three hours, if necessary.
- If there is any vacancy in the post of executive member, the executive committee will fill up the post by the member of the general assembly. In this respect, the decision of the principal will be final.
- If there is any lack of coordination or dispute among the departmental secretaries, the executive committee will solve such disputes.
- Two- third members including the president and the vice-president will make the quorum of the executive committee.

**ARTICLE 6 :**

**GENERAL ELECTION :**

(a) The general election of the union body will be held within two months of the commencement of every new academic session.

(b) The principal will nominate a chief election officer and three assistant election officers from the teaching staff to form an election committee. The chief election officer of the previous year will remain as the ex-officio member of the next election committee. The election committee will take all responsibilities to conduct the election.

(c) The principal will notify at least 15 days earlier about the conduction of election.

(d) The entire election procedure must be completed within 10 (ten) working days.



(e) The members of the union body will be elected by the general members through non-transferable secret ballot.

(f) The chief election officer will submit the expenditure incurred during the entire election process to the principal within 1 (one) month from the conduction of the election.

(g) The expenditure for conduction of election will be taken from union body fund and the surplus money will be deposited in the same fund.

(h) If a candidate has any complain regarding the result of the election, such candidate can submit a written complaint to the chief election officer personally within 3 hours of the declaration of the result with a security money of 1000.00 (one thousand).

(i) Application for recounting will not be accepted if the difference of vote is more than 5 (five).

(j) The application for any complaint will be accepted only from the candidate.

(k) The decision of the election committee will be final regarding all the matters relating to the election.

(l) If a student create any problem during the election or result of the election, the chief election officer will recommend the principal to take disciplinary action and the principal may punish her if necessary.

**CANDIDATE :**

The students must follow the rules and regulation mentioned below to become a candidate in the election –

- ➢ The candidate must be a regular student of a regular course of the college.
- ➢ The attendance should be 75% or more.
- ➢ The student must not have any back or arrear in any subject.
- ➢ The minimum and maximum age for the student must be 16 and 22 respectively on the date of the declaration of the election by the chief election officer.
- ➢ The candidate should not have any previous criminal record.
- ➢ She must not be expelled from the college or any other educational institution.

- To contest for the post of president, the student must be in the 5th semester and for the other posts, students must be from 1st and 3rd semester.

**ELECTION RULES :**

1. Cost of nomination paper, fees of the candidates and the security money will be fixed by the election committee with the consent of the principal.
2. A candidate can submit the nomination paper to the chief election officer along with the fees for candidature.
3. While submitting the nomination paper to the chief election officer, candidate and the proposer of the candidate must sign the form showing their identity cards, library clearance certificates and the fees clearance receipt till date.
4. If a candidate or the proposer cannot be present during the scrutiny of the nomination papers, she must inform the chief election officer in written beforehand. The election committee may accept or reject her candidature after considering the reason of the absence.
5. Security money will not be refunded to the candidate whose nomination paper is cancelled.
6. Security money will also not be refunded to the defeated candidate who gets less than 1/3rd votes of the winning candidate for a post.
7. No banners and posters are allowed inside the college campus for the purpose of canvassing the election.
8. Without the permission of the chief election officer, no candidate can distribute any kind of poster for the campaigning.
9. Every candidate must submit a copy of hand written poster to the chief election officer before distribution and must obtain the required permission. No candidate is allowed to use printed poster for campaigning.
10. Campaigning is not allowed inside the classroom when the class is going on. Instead of that, they will be allowed to deliver a lecture on “why have I participated in the general election of the union body” for 3 minutes in an open debate organized by the election committee and also



answers the election related questions asked by the students.
11. The election committee will fix the rules and regulations for the stage campaigning.
12. The election expenditure of the candidates must not exceed 5000.00 (five thousand).
13. There will be a Grievances and Redressal cell to look into the complaints relating to election. An independent student and two senior teachers will be nominated by the principal for the cell.
14. The decision of the principal will be the final decision regarding any election related complaints.

**Article 7**

**Fund**

(a) The basic fund of the students’ union will be collected from the contribution of the members of the union mentioned in the article 3 of the constitution.
(b) There will be a separate fund for each of the departmental secretaries as well as of the general secretary under the supervision of the principal.
(c) The donations by any person or institution towards the students’ union fund will be accepted only after the recommendation of the principal.

**Article 8**

**Amendment of the Constitution :**

For the amendment of any article, a part or the whole constitution, a written application to the president/secretary must be submitted by the elected members of the executive committee or at least 50 general members of the students’ union. The president/secretary will inform the principal in written about the matter on the basis of the application. The principal will nominate two teachers to amend any article, a part or the whole constitution.

OR

The principal can amend any article or the whole constitution in case of emergency or as per the decision of the Court or the Government. The recommendation for such amendment will be taken in the next general meeting of the students' union.

**ARTICLE-9**

The principal will administer the oath to all the elected or selected members in an oath-taking ceremony before their taking of the charges.

**ARTICLE-10**

The principal can dissolve the students' union if the union body is engaged in any unconstitutional activity. In such situations, all the activities of the students' union will be performed by the representatives nominated by the principal till the formation of the next union body.

Accepted in the General Assembly
Mrs. Manju Saikia
Principal in charge
Kanya Mahavidyalaya

Constitution drafted by–
Mr. Nazrul Islam
Assistant Professor
Department of English
Mrs. Mridusmita Bhuyan
Assistant Professor
Department of Political Science
Kanya Mahavidyalaya